**2 0 2 2**

# HISTORY

( Honours Elective )

Paper : HIS–HE–5016

**( History of Assam up to C. 1228 )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer any *ten* of the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো দহটাৰ উত্তৰ দিয়া :

(a) Which book of Barahamihira refers to both 'Pragjyotisha' and 'Lauhitya' ?

ববাহমিহিবৰ কোনখন গ্ৰন্থত 'প্ৰাগজ্যোতিষ' আৰু 'লৌহিত্য' উভয়ৰ বিষয়ে উল্লেখ আছে ?

(b) Who was the author of *Harshacharita*?

'হৰ্ষচৰিত'ৰ ৰচয়িতা কোন ?

(c) In which area of Assam world's biggest stone jar sites is discovered?

বিশ্বৰ সৰ্ববৃহৎ শৈল ভাণ্ডপাত্ৰ স্থানসমূহ অসমৰ কোনটো অঞ্চলত আৱিষ্কাৰ কৰা হৈছে ?

(d) Who issued Umachal Rock Inscription?
উমাচল শিলালিপি কোনে জাৰি কৰিছিল ?

(e) Name the dynasty founded by Naraka in Pragjyotisha.
প্ৰাগজ্যোতিষত নৰকে প্ৰতিষ্ঠা কৰা বংশটোৰ নাম লিখা।

(f) Who was the founder of the Varmana dynasty?
বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা কোন আছিল ?

(g) Which river formed the western territory of ancient Kamarupa according to most of the Puranas?
সৰহভাগ পুৰাণৰ মতে প্ৰাচীন কামৰূপৰ পশ্চিম সীমান্ত চিহ্নিত কৰা নদীখনৰ নাম কি ?

(h) Name one Tantrik book composed in Kamarupa.
কামৰূপত ৰচনা কৰা এখন তান্ত্ৰিক পুঁথিৰ নাম লিখা।

(i) In which century Yuan Chwang visited ancient Kamarupa?
কোন শতিকাত হিউয়েন চাঙে প্ৰাচীন কামৰূপ ভ্ৰমণ কৰিছিল ?

(j) Who among the ancient Kamarupa rulers is identified as the 'Gaudradi-Kalinga-Kosala-Pati' referred to the Pasupati Inscription of Jayadeva II of Nepal?
নেপালৰ ৰজা দ্বিতীয় জয়দেৱৰ পশুপতি শিলালিপিত 'গৌড্ৰাডি-কলিংগ-কোশল-পতি' বুলি উল্লেখ থকা লোকজনক প্ৰাচীন কামৰূপৰ কোনজন শাসক বুলি ধৰা হয় ?

(k) Who was the last ruler of the Salastambha dynasty?

শালস্তম্ভ বংশৰ শেষ ৰজাজন কোন আছিল ?

(l) Who is the author of the book, *Tabaqat-i-Nasiri*?

'তবাকাৎ-ই-নাচিৰি' গ্ৰন্থখনৰ ৰচয়িতা কোন ?

(m) Which inscription records the first Muhammedan invasion of Kamarupa?

কোনখন শিলালিপিত মুছলমানৰ প্ৰথম কামৰূপ আক্ৰমণৰ বিষয়ে উল্লেখ আছে ?

(n) Who led the second Muhammedan invasion to Kamarupa in 1227?

১২২৭ চনত কোনে মুছলমানৰ দ্বিতীয় কামৰূপ আক্ৰমণৰ নেতৃত্ব দিছিল ?

(o) What was the largest division of ancient Assam?

প্ৰাচীন অসমৰ সৰ্ববৃহৎ বিভাজনটো কি আছিল ?

(p) What was the main source of income of State in ancient Kamarupa?

প্ৰাচীন কামৰূপত ৰাষ্ট্ৰৰ আয়ৰ প্ৰধান উৎসটো কি আছিল ?

(q) Who were the Nyayakaranikas?

ন্যায়কৰ্ণিকাসকল কোন আছিল ?

*(r)* Which style of Indian sculpture influenced the Pala sculptors most?

কোনটো ভাৰতীয় ভাস্কৰ্যশৈলীয়ে পাল ভাস্কৰ্য শিল্পীসকলক আটাইতকৈ বেছি প্ৰভাৱিত কৰিছিল ?

**2.** Answer any *five* of the following questions in brief : $2\times5=10$

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ চমুকৈ লিখা :

*(a)* What were the four divisions of ancient Kamarupa as mentioned in the Yogini *Tantra*?

'যোগিনী তন্ত্ৰ'ত উল্লেখ থকা প্ৰাচীন কামৰূপৰ বিভাজন চাৰিটা কি কি আছিল ?

*(b)* What were the two temples of ancient Kamarupa mentioned in the *Kalika Purana* practising human sacrifice?

'কালিকা পুৰাণত' উল্লেখ থকা প্ৰাচীন কামৰূপৰ নৰবলিৰ প্ৰচলন থকা দুটা মন্দিৰ কি কি আছিল ?

*(c)* What was the capital of the kingdom of Banasura? Name the temple attributed to him.

বানাসুৰৰ ৰাজ্যৰ ৰাজধানীখন কি আছিল ? তেওঁৰ সৈতে সংযুক্ত মন্দিৰটোৰ নাম কি ?

*(d)* Name two important divisions of Hinduism prevailed in ancient Assam.

প্ৰাচীন অসমত প্ৰচলিত হিন্দুধৰ্মৰ দুটা গুৰুত্বপূৰ্ণ পন্থাৰ নাম লিখা ।

(e) Who is considered to be the father of Kamarupi princess Amritprabha, married to king Meghvahana of Kashmir? Name the Tibetan Buddhist monk who accompanied her.

কাশ্মীৰৰ ৰজা মেঘবাহনলৈ বিয়া দিয়া কামৰূপী ৰাজকুমাৰী অমৃতপ্ৰভাৰ পিতৃ বুলি কাক ধৰা হয়? তেওঁক সংগ দিয়া তীব্বতী বৌদ্ধ সন্যাসীজনৰ নাম লিখা।

(f) Name two inscriptions issued by Bhaskara Varmana.

ভাস্কৰ বৰ্মণে জাৰি কৰা দুখন লিপিৰ নাম লিখা।

(g) Who was the first king of Pragjyotisha to perform his coronation ceremony with Vedic rites? What title did he assume after the coronation?

বৈদিক পৰম্পৰা অনুসৰি সিংহাসন আৰোহণ উৎসৱ পালন কৰা প্ৰাগজ্যোতিষৰ প্ৰথম ৰজাজন কোন? সিংহাসন আৰোহণৰ পিছত তেওঁ কি উপাধি গ্ৰহণ কৰিছিল?

(h) Who founded the city of 'Durjaynagara'? To which dynasty did he belong?

কোনে 'দুৰ্জয়নগৰ' স্থাপন কৰিছিল? তেওঁ কোন বংশৰ আছিল?

(i) Give two reasons for disintegration of Kamarupa after the Pala kings.

পাল ৰজাসকলৰ পিছত কামৰূপ খণ্ডিত হোৱাৰ দুটা কাৰণ দিয়া।

(j) By what terms were the ministers of ancient Assam known according to inscriptions?

লিপি অনুসৰি প্ৰাচীন অসমৰ মন্ত্ৰীসকলক কি কি নামেৰে জনা যায়?

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াসমূহৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Population pattern of ancient Assam

প্ৰাচীন অসমৰ জনগাঁথনি

(b) Mythological rulers of Pragjyotisha

প্ৰাগজ্যোতিষৰ পৌৰাণিক শাসকসকল

(c) Bala Varmana

বল বৰ্মণ

(d) Yuan Chwang's account on Kamarupa

হিউয়েন চাঙৰ কামৰূপৰ বিবৰণ

(e) Harjar Varmana

হৰ্জৰ বৰ্মণ

(f) Achievement of Ratnapala

ৰত্নপালৰ সাফল্য

(g) Kanai Barasi Rock Inscription

কানাই বৰশী শিলালিপি

(h) Revenue administration of ancient Assam

প্ৰাচীন অসমৰ ৰাজহ প্ৰশাসন

4. Answer any *four* of the following questions : 10×4=40

তলত দিয়াসমূহৰ পৰা যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Discuss the archaeological sources of ancient Assam.

প্ৰাচীন অসমৰ পুৰাতাত্ত্বিক সমলসমূহ আলোচনা কৰা।

(b) "Assam became a melting pot of races because it is situated in one of the great migration routes of mankind." Elucidate.

"অসম বিভিন্ন জনগোষ্ঠীসমূহৰ মিশ্ৰণ পাত্ৰ হৈ পৰিছিল, কিয়নো ই মানৱ সমাজৰ এটা গুৰুত্বপূৰ্ণ প্ৰব্ৰজন পথত অৱস্থিত।" বিশদভাৱে ব্যাখ্যা কৰা।

(c) Prepare a note on the origin and antiquity of Kamarupa and Kamakhya.

কামৰূপ আৰু কামাখ্যাৰ উৎস আৰু প্ৰাচীনতাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(d) Critically analyze the religious and belief systems of ancient Assam.

প্ৰাচীন অসমৰ ধৰ্মীয় আৰু বিশ্বাস ব্যৱস্থাৰ বিষয়ে এটি সমালোচনামূলক বিশ্লেষণ আগবঢ়োৱা।

(e) Assess the importance of Bhuti Varmana's reign in the history of Assam.

অসমৰ বুৰঞ্জীত ভূতি বৰ্মণৰ ৰাজত্বকালৰ গুৰুত্বৰ এটি মূল্যায়ন কৰা।

(f) Discuss the friendship of Kumar Bhaskar Varmana with Harsha Vardhana of Kanauj. How did it help in making Kamarupa the most powerful State of Eastern India?

কুমাৰ ভাস্কৰ বৰ্মণ আৰু কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনৰ মাজৰ মিত্ৰতা আলোচনা কৰা। ই কিদৰে কামৰূপক পূব ভাৰতৰ আটাইতকৈ শক্তিশালী ৰাজ্য হিচাপে গঢ়ি তোলাত সহায় কৰিছিল?

(g) Discuss the Kamarupa-Bengal relations under the Salastambhas and the Palas.

শালস্তম্ভ আৰু পালসকলৰ ৰাজত্বকালত কামৰূপ-বংগৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

(h) Critically analyze the political condition of Assam after the fall of the Palas.

পালসকলৰ পতনৰ পাছত অসমৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে সমালোচনাত্মকভাৱে বিশ্লেষণ কৰা।

(i) Give an account of the Muhammedan invasions of Kamarupa from 1206 to 1228.

১২০৬ৰ পৰা ১২২৮ চনলৈ মুছলমানসকলৰ কামৰূপ আক্ৰমণৰ এটি বিৱৰণ দিয়া।

(j) Write a note on central and provincial administration of ancient Assam.

প্ৰাচীন অসমৰ কেন্দ্ৰীয় আৰু প্ৰাদেশিক শাসন ব্যৱস্থাৰ বিষয়ে এটি টোকা লিখা।

***